# REGIONEL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-05-2025 **Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেচনৰ লগতে দেশৰ মুঠ ১০৩ টা ৰে'ল ষ্টেচনক আজি অমৃত ষ্টেচনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেচনকেইটা মুকলি কৰিব। এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকিব। অমৃত ষ্টেচনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেচনসমূহত শ্ব'পিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

০০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ অনলাইন বদলিৰ ক্ষেত্ৰত নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি ২০২৪ চনত বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ অধীনত স্থায়ীভাৱে নিযুক্তি লাভ কৰা শিক্ষকসকলৰ একক আন্তঃজিলাত বদলিৰ ক্ষেত্ৰত তেওঁলোকৰ পূৰ্বৰ চাকৰিৰ সময়ছোৱাও বিবেচনা কৰা হ'ব। অৱশ্যে সংশ্লিষ্ট শিক্ষকসকলে ঠিকাভিত্তিক শিক্ষক হিচাপে জিলাখনত একেৰাহে ১০ বছৰ চাকৰিৰ কাল সম্পূৰ্ণ কৰিব লাগিব। পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত কৰিবলগীয়া এই বদলিৰ বাবে সংশ্লিষ্ট বিদ্যালয়ৰ পদ আৰু মাধ্যম একে হ'ব লাগিব।

০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ দিৱস । জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু এই ক্ষেত্ৰত জনসাধাৰণক সজাগ কৰাৰ লক্ষ্যৰে প্ৰতিবছৰে আজিৰ দিনটো সমগ্ৰ বিশ্বতে জৈৱ বৈচিত্ৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। জৈৱ বৈচিত্ৰৰ ক্ষেত্ৰত অসম হৈছে এখন চহকী ৰাজ্য। ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী অভয়াৰণ্য, বনাঞ্চল আদিয়ে অসমৰ জৈৱ বৈচিত্ৰ সংৰক্ষণ কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰাজ্য চৰকাৰে এইসমূহৰ সুৰক্ষা আৰু সংবৰ্ধনৰ দিশত গুৰুত্ব দি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ দিৱসৰ ক্ষণত এইক্ষেত্ৰত নিষ্ঠাৰে কাম কৰি অহা ব্যক্তি তথা অনুষ্ঠানসমূহলৈ কৃতজ্ঞতা জনাইছে। উল্লেখযোগ্য যে বিশ্বৰ পটভূমিত জৈৱ বৈচিত্ৰ সংৰক্ষণৰ দিশত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিশেষ গুৰুত্ব আছে। প্ৰাকৃতিকভাৱেও বৈচিত্ৰময় কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত তৃণভূমি, কাঠনি, নদী ,জান-জুৰি, নিজৰাৰ লগতে পাহাৰৰ অপূৰ্ব সমাহাৰ আছে। এই ৰাষ্ট্ৰীয় উদ্যান বিশ্বৰ বিশেষ পক্ষী ক্ষেত্ৰ হিচাপেও স্বীকৃতিপ্ৰাপ্ত । ৩৭ টা প্ৰজাতিৰ স্তন্যপায়ী, ১৮০ ত কৈয়ো অধিক সংখ্যক সৰীসৃপ, ৫০০ৰো অধিক প্ৰজাতিৰ পক্ষীৰ বিচৰণেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে অসমৰ জৈৱ বৈচিত্ৰৰ ক্ষেত্ৰখনক চহকী কৰি আহিছে।

০০০০০০০

ৰাজ্যত বিগত কেইবাদিনো ধৰি হৈ থকা নেৰেনেপেৰা বৰষুণৰ ফলত বিভিন্ন নৈ-উপনৈৰ জলপৃষ্ঠ ক্ৰমাৎ বৃদ্ধি পাইছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত বৰষুণ অব্যাহত

থাকিব। অহা তিনি-চাৰিদিনৰ ভিতৰত কেৰালাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলতো দক্ষিণ-পশ্চিম মৌচুমী বতাহ প্ৰৱেশ কৰিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। ইপিনে, কপিলীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে নীপকোৱে খানদং প্ৰকল্পৰ ৭ খন গে'ট খুলি দিয়াৰ ফলত কামপুৰত পৰহিৰপৰা বানসদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। নৈপৰীয়া ৰাইজক সকাহ দিবলৈ জলসম্পদ বিভাগে গাৰোখুন্দাৰ পৰা গোসাঁইগাঁৱলৈকে নিৰ্মাণ কৰা মথাউৰিৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে যদিও অঞ্চলবাসী এতিয়াও শংকামুক্ত হ'ব পৰা নাই।

ৰাজ্য চৰকাৰে বাৰিষা কালৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি বানৰ আগতীয়া প্ৰস্তুতিৰ অংশ হিচাপে ৩৫ খন জিলা আৰু ৩৯ খন সমজিলাৰ বাবে ১০০ কোটি টকা মোকলাই দিছে।

000000

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ১১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ধলা শদিয়া দলঙৰ পৰা তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৰ শান্তিপুৰ চকীলৈ পথছোৱা বিকশাই তুলিব। ৰাজ্যৰ লোকনিৰ্মাণ বিভাগে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্পৰ বাবে ৪০ কোটি ৯ লাখ টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। লোকনিৰ্মাণ বিভাগে ২৯০ দিনৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ অনুমোদনৰ পাছত লোকনিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ শাখাই এই পথছোৱা নিৰ্মাণৰ বাবে নিবিদা আহ্বান কৰিছে।

0000000

আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা চমুকৈ এবিলেকৰ তৰফৰ পৰা আগবঢ়োৱা ২০২৪ বৰ্ষৰ আনন্দৰাম বৰুৱা বঁটা বিশিষ্ট সংস্কৃত পণ্ডিত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ৰাজেন্দ্ৰ নাথ শৰ্মালৈ আগবঢ়োৱা হ'ব। এই বঁটাত আছে নগদ ১ লাখ টকা, এখন প্ৰশস্তি পত্ৰ, এখন অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা। এবিলেকৰ সঞ্চালক ড° সুদেষ্ণা ভট্টাচাৰ্যই এখন প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা প্ৰকাশ কৰিছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ডেলহি কেপিটেলছক ৫৯ ৰানত পৰাস্ত কৰি প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰা চতুৰ্থ তথা অন্তিমটো দল ৰূপে পৰিগণিত হয়। ইয়াৰ বিপৰীতে আই পি এলৰ এইবাৰৰ সংস্কৰণত ডেলহি কেপিটেলছৰ যাত্ৰাৰ সামৰণি পৰে।

0000000

টাইৱানৰ টাইপেই চহৰত অনুষ্ঠিত বিশ্ব মাষ্টাৰ্ছ গেমছৰ ডিছকাছ থ্ৰ' প্ৰতিযোগিতাত কোকৰাঝাৰৰ নীলা বসুমতাৰীয়ে সোণৰ পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ পূৰ্বে নীলাই এই আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত শ্বটপুট দলিয়াই ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

000000000

সমাপ্ত